**ভাৰত চৰকাৰ**

**বনাম**

**শ্ৰী সুবে ৰাম আৰু অন্যান্য**

২৬ আগষ্ট, ১৯৯৬

( ন্যায়াধীশ কে. ৰামাস্বামী আৰু জি.বি. পট্টনাইক)

ভূমি অধিগ্ৰহণ আইন ১৮৯৪:

*ধাৰা ২(ঘ), ২৩(২) আৰু ২৮- ১৯৮৪ চনৰ সংশোধনী আইন ৬৮ৰ অধীনত বৰ্ধিত ছ'লেটিয়াম আৰু সুত -কয় : দাবীদাৰসকলে ভূমি অধিগ্ৰহণ বিষয়া বা আদালতৰ আগত কাৰ্য্যবিধি চলি থাকিলেহে অধিকাৰী হ 'ব-উচ্চ ন্যায়ালয়ৰ দ্বাৰা আবেদন গ্ৰহণ-আদেশ ৪৭ নিয়ম ১ চি পি চি।*

ইউনিয়ন অৱ ইণ্ডিয়া বনাম ৰঘুবীৰ সিং , (১৯৮৯) ২ এছচিচি ৭৫৪ , নিৰ্ভৰ কৰা হৈছে।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ১১৯১৩-১৪/১৯৯৬ ।**

আৰ. এফ. এ. নং ৩৩/১৯৭৭ গোচৰত দিল্লী উচ্চ ন্যায়ালয়ৰ ২৪.৭.৯৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা ।

কে. লাহিৰি, বি. কে. প্ৰসাদ, এছ. এ. মীতা আৰু এছ.এন. টেৰ্ডল আপীলকাৰীসকলৰ হৈ ।

পংকজ কলৰা আৰু ব্ৰিজ ভূষণক উত্তৰদাতাসকলৰ হৈ।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :

অনুমতি দিয়া হৈছে।

দুয়ো পক্ষৰ বিদ্বান অধিবক্তা আমি শুনিছো।

ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ (চমুকৈ ক'বলৈ গ'লে "আইন")ৰ ধাৰা ৪(১)ৰ অধীনত অধিসূচনা ১৯৫৭ চনৰ ৮ মাৰ্চত ভূমি অধিগ্ৰহণৰ বাবে প্ৰকাশ কৰা হয় দিল্লী চহৰৰ পৰিকল্পিত উন্নয়নৰ বাবে। ভূমি অধিগ্ৰহণ বিষয়াই ১৯৭৪ চনৰ ৩ অক্টোবৰত এই আইনৰ ১১ নং ধাৰাত ক্ষতিপূৰণ প্ৰদান কৰে। ১৯৭৬ চনৰ ৫ অক্টোবৰত অতিৰিক্ত জিলা ন্যায়াধীশে ক্ষতিপূৰণ বৃদ্ধি কৰে। আবেদনৰ ভিত্তিত উচ্চ ন্যায়ালয়ে ১৯৮৪ চনৰ ২৪ জুলাইত ক্ষতিপূৰণ আৰু অধিক বৃদ্ধি কৰি প্ৰতি বৰ্গ গজত ১০ টকাকৈ সোলেটিয়াম আৰু পুৰণি হাৰত সুত অৰ্থাৎ ধাৰা ২৩ (২)ৰ অধীনত ছ 'লেটিয়াম ১৫% আৰু ধাৰা ২৩ (২)ৰ অধীনত ৬% সুত বৰ্ধিত ক্ষতিপূৰণ সম্পৰ্কীয় আইনখনৰ ২৮ নং অনুচ্ছেদ। ফলস্বৰূপে প্ৰতিবাদীসকলে ১৯০৮ চনৰ দেৱানী প্ৰক্ৰিয়া সংহিতাৰ ১৫১ আৰু ১৫২ নং ধাৰাত আবেদন দাখিল কৰে আৰু উচ্চ ন্যায়ালয়ে ১৯৮৫ চনৰ ২২ মাৰ্চৰ বিবাদিত আদেশৰ জৰিয়তে ১৯৮৪ চনৰ সংশোধনী আইন ৬৮ৰ অধীনত সুবিধাসমূহৰ অনুমতি দিছিল আৰু ধাৰা ২৮ৰ বিধানৰ অধীনত বৰ্ধিত ক্ষতিপূৰণ আৰু সুতৰ ওপৰত ৩০% ছ 'লেটিয়াম প্ৰদান কৰিছিল সেই তাৰিখৰ দখল লোৱাৰ পৰা এবছৰৰ বাবে ৯% তাৰ পিছত বৰ্ধিত ক্ষতিপূৰণৰ ওপৰত আদালতত জমা দিয়াৰ তাৰিখলৈকে @ ১৫% । তাৰ পিছত এই আদালতে ইউনিয়ন অৱ ইণ্ডিয়া বনাম ৰাগলম্বিৰ সিং , (১৯৮৯) ২ এছচিচি ৭৫৪ গোচৰত সেই মতামত উলটাই দিয়ে। ৰায়ৰ পুনৰীক্ষণৰ বাবে আবেদন দাখিল কৰাহৈছিল আৰু ১৯৯৩ চনৰ ১ ডিচেম্বৰৰ বিবাদিত আদেশত উচ্চ ন্যায়ালয়ে পুনৰীক্ষণৰ আবেদন খাৰিজ কৰিছিল। সেইবাবে বিশেষ অনুমতিৰ দ্বাৰা এই আপীলসমূহ কৰা হৈছে । মূল আপীল আদেশৰ বিৰুদ্ধেও ৩৩৭৯ দিনৰ পলমকৈ আপীল দাখিল কৰা হয়।

নিজৰ সাধাৰণ তীব্ৰতাৰে উত্তৰদাতাসকলৰ বিদ্বান অধিবক্তা শ্ৰী পংকজ কলৰাই কয় যে খণ্ড বিচাৰপীঠে ৰায়দন কৰাৰ আঠ বছৰৰ পাছত আৰু ৰঘুবীৰ সিঙৰ গোচৰত এই আদালতে দিয়া ৰায়দানৰ পাঁচ বছৰৰ পাছত পুনৰীক্ষণৰ

আবেদন দাখিল কৰিবলৈ আহিছিল। সেয়েহে উচ্চ ন্যায়ালয়ে পৰ্যালোচনা আবেদনখন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাটো সঠিক আছিল। চি পি চিৰ নিয়ম ৪৭ নিয়ম ১, ব্যাখ্যাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ এইটোও কয় যে আদালতে ব্যাখ্যা কৰা আইন পৰিৱৰ্তন পুনৰীক্ষণৰ ভিত্তি নহ'ব। মূল আদেশৰ বিৰুদ্ধে বিশেষ অনুমতিৰ আৱেদন দাখিল কৰাত অত্যধিক পলম হৈছে আৰু পলমৰ কাৰণ সঠিকভাৱে ব্যাখ্যা কৰা হোৱা নাই। গতিকে তলৰ আদালতৰ আদেশত কোনো আইনৰ ভুলৰ দ্বাৰা বিকৃত নহয়। আমি বিতৰ্কবোৰত কোনো যুক্তি বিচাৰি নাপাওঁ।

এতিয়া আইনী স্থিতি টো হৈছে যে দাবীদাৰসকলে বৰ্ধিত ছ'লেটিয়াম আৰু সুতৰ অধিকাৰী হ'ব যদিহে ভূমি অধিগ্ৰহণ বিষয়া বা আদালতৰ সন্মুখত কাৰ্য্যবিধি বিচাৰাধীন হৈ থাকে। আইনৰ ধাৰা ২( ঘ)ৰ অধীনত "আদালত" শব্দটো সংজ্ঞায়িত কৰা হৈছে যিহেতু সংশোধনী বিধেয়কখন উত্থাপন কৰা আৰু সংসদে কৰা আইনখন দেৱানী আদালত আছিল। গতিকে প্ৰশ্ন উত্থাপন হয় যে ১৯৮৪ চনৰ সংশোধনী আইন ৬৮ বলবৎ হোৱাৰ পিছত বৰ্ধনৰ আবেদন গ্ৰহণ কৰাৰ অধিকাৰ উচ্চ ন্যায়ালয়ৰ আছে নেকি ? এইটো সঁচা যে যদিহে উচ্চ আদালতে আইনখনৰ ব্যাখ্যা ক ৰে আৰু অৰ্ডাৰ ৪৭ নিয়ম ১ , চিপিচিৰ দ্বাৰা আইনখন চূড়ান্ত হোৱাৰ গোচৰ হ'লহেঁতেন, তেন্তে ই ৰায়দান পুনৰীক্ষণৰ ভিত্তি হ'ব নোৱাৰিলেহেঁতেন। কিন্তু ইয়াত আবেদনখন গ্ৰহণ কৰো গোচৰ মূল কাৰণ; অৰ্থাৎ আদালতৰ অধিকাৰক্ষেত্ৰৰ প্ৰশ্ন। যিহেতু আপীল আদালতৰ ডিক্ৰী সংশোধন কৰাৰ কোনো ক্ষমতা নাই আৰু ১৯৮৪ চনৰ ৬৮ নং আইনৰ দ্বাৰা সংশোধিত আইনখনৰ ধাৰা ২৩(২) আৰু ধাৰা ২৮ৰ বিধানৰ অধীনত ছ'লেটিয়াম আৰু সুতৰ জৰিয়তে বৰ্ধিত ক্ষতিপূৰণ প্ৰদান কৰাৰ ক্ষমতা নাই , গতিকে এইটো এটা আদালতৰ ক্ষে ত্ৰাধিকাৰ লৈ প্ৰশ্ন । যিহেতু আদালতৰ কোনো অধিকাৰ নাই ই হৈছে নিৰ্ধাৰিত আইনী স্থিতি যে ই এক বাতিল আৰু ইয়াক যিকোনো পৰ্যায়তে উত্থাপন কৰিব পাৰি।

বিদ্বান অধিবক্তাই ১৯৯৫ চনৰ ৩১ জুলাইত এই আদালতে ১৯৯৪ চনৰ এছ এল পি (চি) নং ২২৬৩৯ত বিশেষ অনুমতিৰ আবেদনসমূহ খাৰিজ কৰা আদেশৰ ওপৰত নিৰ্ভৰ কৰিব বিচাৰিছিল। নিষ্পত্তি হোৱা আইনী অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি , বিশেষ অনুমতিৰ আবেদন খাৰিজ কৰা আদেশটোৱে ৰেচ জুডিকেটা গঠন নকৰে; সেইটোও এটা বিবাদত যিটো এই গোচৰত পক্ষসমূহৰ মাজতো নাছিল। ওপৰৰ সিদ্ধান্তই সংবিধানৰ ১৩৬ নং অনুচ্ছেদৰ অধীনত এই আদালতে ক্ষমতা প্ৰয়োগ কৰাত বাধাৰ সৃষ্টি নকৰিবও পাৰে।

বিদ্বান অধিবক্তাই দাবী কৰিছে যে আদালতৰ সকাহ প্ৰদান বা অস্বীকাৰ কৰাৰ ক্ষমতা আছে আৰু যদি প্ৰশ্নটোৰ মাজলৈ গৈ মেৰিটৰ ওপৰত একে সিদ্ধান্ত লৈছে, তেন্তে ক 'ব পাৰি যে উচ্চ ন্যায়ালয়ে কোনো আইনৰ ভুল কৰা নাছিল। গতিকে আদেশ আইনত বৈধ। তথ্য আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমি পলমক মাফ কৰিছো আৰু ১৯৮৫ চনৰ ২২ মাৰ্চৰ মূল আদেশৰ বিৰুদ্ধে দাখিল কৰা আপীল আৰু লগতে পৰ্যালোচনা আবেদনকো গ্ৰহণ কৰিছো।

সেই অনুসৰি আবেদনসমূহৰ অনুমতি দিয়া হৈছে। আইনৰ ধাৰা ২৩(২)ৰ অধীনত ছ'লেটিয়াম @ ৩০% আৰু দখল লোৱাৰ তাৰিখৰ পৰা এবছৰৰ বাবে সুত @ ৯% আৰু তাৰ পিছত ধাৰা ২৮ৰ অধীনত জমা হোৱাৰ তাৰিখলৈকে ১৫% প্ৰদান কৰাটো আঁতৰাই ৰখা হৈছে আৰু ১৯৮৪ চনৰ ২৪ জুলাইৰ উচ্চ ন্যায়ালয়ৰ মূল আদেশ পুনৰুদ্ধাৰ কৰা হৈছে। কিন্তু কোনো খৰচৰ আদেশ নিদিয়াকৈ।

আপীলৰ অনুমতি দিয়া হৈছে।

*অনুবাদক-প্ৰণব জ্যোতি বৰা*

*জ্যেষ্ঠ অনুবাদক*

*গুৱাহাটী উচ্চ ন্যায়ালয়*